# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 06-10-2025
**Time :** 0755 Hrs.

## *Assamese Morning Bulletin*

ছিংগাপুৰত জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্ত অব্যাহত আছে। চি আই ডি কাৰ্যালয়ৰ বিশেষ তদন্তকাৰী গোটে জুবিন গাৰ্গৰ কেইবাগৰাকীও সহশিল্পী, বাদ্য যন্ত্ৰীৰ, দেহৰক্ষী, চালকৰ ভাষ্যগ্ৰহণৰ বাবে কাৰ্যালয়ত উপস্থিত হোৱাৰ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশৰ পাছতে কেইবাজনো লোকে চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ তেওঁলোকৰ ভাষ্য প্ৰদান কৰিছে। জুবিন গাৰ্গৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সম্পন্ন হোৱা দ্বিতীয়টো মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনো কৰ্তৃপক্ষই ইতিমধ্যে পত্নী গৰিমা গাৰ্গৰ হাতত অৰ্পণ কৰিছে। তদন্তৰ বাবে এই প্ৰতিবেদন ৰাজহুৱা কৰা নহয় বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পূৰ্বে উল্লেখ কৰিছিল। তদন্তৰ বাবে পত্নী গৰিমা গাৰ্গেও প্ৰতিবেদন তদন্তকাৰী গোটলৈ প্ৰেৰণ কৰিছে। কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন ৰাজহুৱা নকৰাৰ কথা উল্লেখ কৰি চি আই ডিৰ কাৰ্যালয়ত উপস্থিত হৈ অনুমতি সাপেক্ষে প্ৰতিবেদন চাব পাৰিব বুলি উল্লেখ কৰে।

(বাইট ঃ মুখ্যমন্ত্ৰী)

oooooo

মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে কালি সপত্নীক দিছপুৰৰ চৰকাৰী বাসগৃহত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে শ্ৰীযাদৱক অভিবাদন জনোৱাৰ লগতে বিভিন্ন বিষয়ত তেওঁৰ সৈতে কথা পাতে। অসম ভ্ৰমণলৈ অহা মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে কালি পুৱা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি বনাঞ্চল পৰিদৰ্শন কৰে। তেওঁ ৰাষ্ট্ৰীয় উদ্যানখন ভ্ৰমণৰ সময়ত গড়, হাতী, হৰিণকে ধৰি অন্যান্য বন্যাপ্ৰাণীসমূহ দেখি অভিভূত হৈ পৰে। শ্ৰীযাদৱে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বন্যপ্ৰাণী আৰু বনাঞ্চল সংৰক্ষণ ব্যৱস্থাৰ প্ৰশংসা কৰি কয়, যে এই ব্যৱস্থাৰ পৰা শিকিবলগীয়া বহু দিশ আছে। তেওঁ লগতে মধ্যপ্ৰদেশৰ বনাঞ্চল আৰু কাজিৰঙাৰ মাজত বন্যপ্ৰাণী বিনিময় সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাৰ সৈতে আলোচনা কৰিব বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

oooooo

বুনিয়াদী অৰ্থনীতি সবলীকৰণেৰে ৰাজ্যক প্ৰগতিৰ দিশত লৈ যোৱাৰ লক্ষ্যৰে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায় ৰূপায়ণৰ সকলো ব্যৱস্থা সম্পূৰ্ণ কৰা হৈছে। কাইলৈ গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত অৰুণোদয়ৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণী অনুষ্ঠান অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। ৰাজ্যৰ ২৫ হাজাৰৰো অধিক স্থানত কাইলৈ এই

অনুষ্ঠানৰ আয়োজন কৰা হ'ব। এই আঁচনিৰ অধীনত ৩৮ লাখৰো অধিক পৰিয়ালক অন্তৰ্ভুক্ত কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে বিটিআৰৰ জিলাসমূহৰ বাহিৰে ৰাজ্যৰ সকলো জিলাৰ আয়ুক্ত সকলক অৰুণোদয় আঁচনিৰ ৰূপায়ণৰ কাম যথাযথভাৱে সম্পন্ন কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

তিনিচুকীয়া জিলাৰ মাকুম আৰক্ষীয়ে বহিঃৰাজ্যলৈ চক্ৰান্তৰে নিয়া তিনিগৰাকী কিশোৰী আৰু এজন কিশোৰক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। জিলাখনৰ খোৱাং চাহ বাগিচাৰ দুগৰাকী কিশোৰী আৰু কাকপথাৰ তেজিৰ এগৰাকী কিশোৰী আৰু কিশোৰক অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ লৈ গৈ থকা অৱস্থাত উদ্ধাৰ কৰে। মানৱ সৰবৰাহকাৰী চক্ৰই প্ৰলোভনেৰে কিশোৰ-কিশোৰীকেইটাক এখন বাছত অৰুণাচললৈ লৈ গৈ আছিল। মাকুম আৰক্ষী, যানবাহন আৰক্ষীয়ে বাছখনৰ পৰা আটাইকে উদ্ধাৰ কৰে আৰু মুঠ তিনিগৰাকী মহিলাক ঘটনাৰ সৈতে জড়িত থকাৰ সন্দেহত আটক কৰি সোধাপোছা অব্যাহত ৰাখিছে।

০০০০০০

মণিপুৰৰ জিৰিবাম জিলাত সুৰক্ষা বাহিনীয়ে যোৱা নিশা দুটা শক্তিশালী আই ই ডি নিষ্ক্ৰিয় কৰে। সুৰক্ষা বাহিনীৰ এগৰাকী বিষয়াই কয়, যে ৰাজ্যখনৰ উদ্বেগজনক পৰিস্থিতিৰ মাজত এই আই ই ডি উদ্ধাৰ তথা নিষ্ক্ৰিয় কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ। উল্লেখযোগ্য যে আছাম ৰাইফলছৰ এটা দলে যোৱা নিশা জিৰিবামৰ মাখাবস্তি এলেকাত অভিযান চলাই ১২ কিলোগ্ৰামকৈ ওজনৰ দুটা আই ই ডি, ৫০০ কিলোগ্ৰাম ওজনৰ তিনিটা বৈদুত্যিক শক্তিৰ উৎস আৰু ১২ মিটাৰ দৈৰ্ঘ্যৰ কৰ্ডেক্স জব্দ কৰে। ৰাজ্যখনত যোৱা ১৩ ফেব্ৰুৱাৰীৰ পৰা ৰাষ্ট্ৰপতি শাসন চলি থকাৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তা সংস্থাসমূহে এই খণ্ডৰ শান্তি যাতে বিঘ্নিত নহয় তাৰ বাবে সদায় সতৰ্ক হৈ আহিছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত কালি জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰাদ্ধানুষ্ঠান অনুষ্ঠিত হয়। তিনিচুকীয়া জিলাতো জুবিন গাৰ্গৰ ৰাজহুৱা শ্ৰাদ্ধানুষ্ঠানত গছপুলি ৰোপণ কৰাৰ লগতে ভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনৰ পৰিৱেশ সুৰক্ষা সমিতিৰ উদ্যোগত বৰগুড়ি, তিনিচুকীয়া, মাকুম আদি অঞ্চলত শ্ৰাদ্ধানুষ্ঠান অনুষ্ঠিত হয়।

ডিব্ৰুগড় জিলাৰ চৌকিদিঙি খেলপথাৰত আয়োজিত ৰাজহুৱা শ্ৰাদ্ধানুষ্ঠানত জাতি-ধৰ্ম নিৰ্বিশেষে অগণন লোকৰ সমাগম হয়। জাতীয়-জনগোষ্ঠীয় ঐক্যমঞ্চই আয়োজন কৰা প্ৰিয় শিল্পীগৰাকীৰ আদ্যশ্ৰাদ্ধ উপলক্ষে নাম প্ৰসংগ, ভাগৱত পাঠ, কোৰাণ পাঠ আদিৰ উপৰি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় কামনা কৰি সমূহীয়া প্ৰাৰ্থনা কৰা হয়।

**শিৱসাগৰ** জিলাতো এখন সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। শিৱসাগৰবাসীৰ উদ্যোগত নগৰৰ দৌলমুখ চাৰিআলিত অনুষ্ঠিত এই প্ৰাৰ্থনাসভাত বিভিন্ন ধৰ্মৰ পুৰোহিতসকলে শিল্পীগৰাকীৰ বাবে প্ৰাৰ্থনা কৰে।

**ঢেকীয়াজুলীত** সদৌ অসম ছাত্ৰসন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, সদৌ অসম গোৰ্খা ছাত্ৰ সন্থাকে ধৰি বহুকেইটা দল-সংগঠনৰ সহযোগত ছহিদ মৈদানত শিল্পীগৰাকীৰ ৰাজহুৱা শ্ৰাদ্ধানুষ্ঠান আৰু শ্ৰদ্ধাঞ্জলি

অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত গীতা পাঠ, সৰ্বধৰ্ম প্ৰাৰ্থনা, দিহানাম আদি পৰিৱেশন কৰাৰ লগতে ভূটানৰ পৰা অহা বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে শিল্পী জুবিন গাৰ্গৰ আত্মাৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰে।

**হোজাই** জিলাৰ ১ নম্বৰ কাকী খেলপথাৰত কালি দিনজোৰা কাৰ্যসূচীৰে শিল্পী জুবিন গাৰ্গৰ শ্ৰাদ্ধানুষ্ঠান অনুষ্ঠিত কৰা হয়। কাকী কেন্দ্ৰীয় গামখাৰু ৰঙালী বিহু উদযাপন সমিতিৰ উদ্যোগত আৰু বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান, ছাত্ৰ সংগঠন তথা স্থানীয় ৰাইজৰ সহযোগত এই ৰাজহুৱা আদ্যশ্ৰাদ্ধ অনুষ্ঠিত কৰা হয়। এই অনুষ্ঠানত জুবিন গাৰ্গৰ স্মৃতিত নাহৰ পুলি ৰোপণ, শিল্পীগৰাকীৰ প্ৰতিকৃতি নিৰ্মাণৰ আধাৰশিলা স্থাপনৰ লগতে নাম-প্ৰসংগ আৰু সৰ্বধৰ্মীয় প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়।

oooooo

**সমাপ্ত**